জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৫৫২/২০২০

**ডিব্ৰুগড়ৰ খনিকৰত নিৰ্মাণৰত বহুমুখী ক্ৰীড়া প্ৰকল্পথলী পৰিদৰ্শন কৰিলে মুখ্যমন্ত্ৰীয়ে**

# ক্ৰীড়া প্ৰকল্পটোৰ মূল ষ্টেডিয়ামৰ কাম আগন্তুক ফেব্ৰুৱাৰী মাহৰ ভিতৰত সম্পূৰ্ণ কৰিবলৈ মুখ্যমন্ত্ৰীৰ নিৰ্দেশ

**দিছপুৰ, ২০ আগষ্ট ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি ডিব্ৰুগড়ৰ খনিকৰত এন এল চি পি আৰৰ পুঁজিৰে নিৰ্মাণৰত বহুমুখী ক্ৰীড়া প্ৰকল্পথলী পৰিদৰ্শন কৰি কাম-কাজৰ অগ্ৰগতিৰ বুজ লয়। মুখ্যমন্ত্ৰীয়ে এই ক্ৰীড়া প্ৰকল্পটোৰ মূল ষ্টেডিয়ামৰ কাম আগন্তুক ফেব্ৰুৱাৰী মাহৰ ভিতৰত সম্পূৰ্ণ কৰিবলৈ গড়কাপ্তানি (গৃহ) বিভাগক নিৰ্দেশ দিয়ে। উল্লেখ্য যে গুৱাহাটী মহানগৰীৰ সৰুসজাইৰ আৰ্হিত ডিব্ৰুগড়ত এই বহুমুখী ক্ৰীড়া প্ৰকল্পটো নিৰ্মাণ কৰি থকা হৈছে।

প্ৰকল্পটো পৰিদৰ্শনৰ সময়ত মুখ্যমন্ত্ৰীয়ে এই কাম নিৰ্দ্ধাৰিত সময়ত সম্পূৰ্ণ কৰাৰ বাবে কামৰ উপযোগী সময়ছোৱাৰ সম্পূৰ্ণ সদব্যৱহাৰ কৰি তিনিটা ছিফ্‌টত কাম আগবঢ়াই নিবলৈ নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে গড়কাপ্তানি (গৃহ) সংমণ্ডলৰ কাৰ্যবাহী অভিযন্তাৰ পৰা ২৫ হাজাৰ আসনযুক্ত মূল ষ্টেডিয়ামত প্ৰয়োজন সাপেক্ষে আসনৰ সংখ্যা বৃদ্ধি কৰাৰ সুবিধা আছে নে নাই তাৰো বুজ লয়। কাৰ্যবাহী অভিযন্তাগৰাকীয়ে মুখ্যমন্ত্ৰীক অৱগত কৰে যে ভৱিষ্যতে এই আসনৰ সংখ্যা ৪০ হাজাৰলৈ বৃদ্ধি কৰাৰ সুবিধা আছে। মুখ্যমন্ত্ৰীয়ে গড়কাপ্তানি বিভাগৰ লগতে নিৰ্মাণকাৰী সংস্থাক প্ৰৱেশ-প্ৰস্থান স্থানৰ সমীপত পৰ্যাপ্ত সংখ্যক বাহনৰ পাৰ্কিঙৰ ব্যৱস্থা কৰিবলৈও নিৰ্দেশ দিয়ে। তেওঁ ক্ৰীড়া প্ৰকল্পটোৰ সৌন্দৰ্যবৰ্দ্ধনৰ বাবে সীমাৰ বেৰৰ চৌদিশে বৃক্ষ ৰোপণ কৰিবলৈও কয়।

উল্লেখ্য যে ছুইমিঙ পুল, ইনড'ৰ ষ্টেডিয়াম, প্ৰেকটিছ গ্ৰাউণ্ড, এথলেটিক ট্ৰেক আদি উপাদান থকা এই ষ্টেডিয়ামখন নিৰ্মাণ হৈ উঠিলে ডিব্ৰুগড় জিলাকে ধৰি ইয়াৰ নিকটৱৰ্তী জিলাসমূহৰ নতুন প্ৰজন্মৰ খেলুৱৈসকলে আধুনিক ক্ৰীড়া শৈলীৰে খেলৰ অনুশীলন কৰাৰ সুবিধা লাভ কৰাৰ লগতে ৰাষ্ট্ৰীয় তথা আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত খেল অনুষ্ঠিত কৰিব পৰা যাব।

আজিৰ এই পৰিদৰ্শনৰ সময়ত কেন্দ্ৰীয় খাদ্য সংসাধন দপ্তৰৰ ৰাজ্যিক মন্ত্ৰী ৰামেশ্বৰ তেলী, বিধায়কসকল ক্ৰমে প্ৰশান্ত ফুকন, বিনোদ হাজৰিকা, ঋতুপৰ্ণ বৰুৱা, সোণোৱাল কছাৰী স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য ডিপুৰঞ্জন মাক্ৰাৰী, ডিব্ৰুগড় জিলাৰ উপায়ুক্ত পল্লৱ গোপাল ঝা, আৰক্ষী অধীক্ষক, গড়কাপ্তানি গৃহ বিভাগকে ধৰি ক্ৰীড়া বিভাগৰ বিষয়াসকল উপস্থিত থাকে।

**সুঃমিঃকঃ / পুঃডেঃ**
**২০/০৮/২০২০**